# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2023
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ইজৰাইল আৰু উগ্ৰপন্থী গোট হামাছৰ মাজত চলি থকা সংঘৰ্ষত নিহত লোকৰ সংখ্যাই ৭০০ অতিক্ৰম কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজিৰে পৰা অহা ১২ অক্টোবৰ পৰ্যন্ত ইটালী আৰু ফ্ৰান্স ভ্ৰমণ কৰিব।

৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি তাঞ্জানিয়াৰ ৰাষ্ট্ৰপতি ছামিয়া ছুলুহু হাছানৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

৪। উত্তৰাখণ্ডৰ নাইনিতাল জিলাৰ কালাধুংগি পথৰ সমীপত কালি নিশা হোৱা এটা বাছ দুৰ্ঘটনাত ৭ জন লোক নিহত হোৱাৰ লগতে আন ২২ জন আহত হৈছে।

*আৰু*

৫। আই চি চি পুৰুষ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাজিত কৰে।

ooooo

ইজৰাইল আৰু সন্ত্ৰাসবাদী গোট হামাছৰ মাজত চলি থকা সংঘৰ্ষত নিহত লোকৰ সংখ্যাই ৭০০ অতিক্ৰম কৰাৰ লগতে ২ হাজাৰ ১০০তকৈও অধিক লোক আহত হৈছে। কিছুসংখ্যক স্থানত এতিয়াও যুদ্ধ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মৃতকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে হামাছে কমেও ১০০ গৰাকী ইজৰাইলী লোকক বন্দী কৰি ৰাখিছে। সংঘৰ্ষৰ দ্বিতীয় দিনাও ইজৰাইলৰ পৰা হামাছৰ উগ্ৰপন্থী সম্পূৰ্ণৰূপে আঁতৰ হোৱা নাই। বিভিন্ন স্থানত হামাছ আক্ৰমণকাৰী আৰু ইজৰাইলৰ সুৰক্ষাকৰ্মীসকলৰ মাজত সংঘৰ্ষ এতিয়াও অব্যাহত আছে। দেশখনৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কৈছে যে দেশখনে হামাছৰ ওপৰত অভূতপূৰ্ব ব্যয় আৰোপ কৰিছে। হামাছ শাসিত গাজাত ব্যাপক স্থল আক্ৰমণৰ সম্ভাৱনা আছে বুলিও তেওঁ আশংকা ব্যক্ত কৰে। তেওঁ কয় যে এই অঞ্চলটো পেলেষ্টাইনী ইছলামীয় জেহাদ - পি আই জেৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰো বিচৰণ ভূমি।

ইজৰাইলে গাজাত বিমান আক্ৰমণ চলাই আছে বুলি সদৰি তেওঁ কয় যে স্থল আক্ৰমণ এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই।

ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰই ইজৰাইলক অস্ত্ৰ-শস্ত্ৰ তথা আহিলা-পাতি যোগান ধৰাৰ লগতে হামাছৰ আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে মধ্যপ্ৰাচ্যত আমেৰিকীয় সেনা নিয়োগ কৰিব বুলি পেণ্টাগনে কালি প্ৰকাশ কৰিছে।

০০০০০

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কালি দেশখনলৈ চৰ্তহীন সমৰ্থন আগবঢ়োৱা আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নেতান্যাহুৱে জাৰ্মানীৰ চেঞ্চেলৰ অ'লাফ স্কোলজ, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'দিমিৰ জেলেনস্কি, ইটালিৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনি আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি ছুনাককে ধৰি ইজৰাইললৈ সমৰ্থন আগবঢ়োৱা বিশ্বৰ অন্যান্য নেতাসকলৰ সৈতেও কথা পাতে। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ইজৰাইলৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে মত বিনিময় কৰি হামাছৰ অতৰ্কিত আক্ৰমণৰ মাজতে আত্ম ৰক্ষাৰ বাবে ইজৰাইলৰ অধিকাৰক সম্পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। নেতান্যাহুৱে বাইডেনে আগবঢ়োৱা এই সমৰ্থনৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে উগ্ৰপন্থী গোট হামাছে পৰহি দক্ষিণ আৰু মধ্য ইজৰাইলৰ বিভিন্ন অংশত ৰকেটেৰে অতৰ্কিতে আক্ৰমণ চলাইছিল। হামাছৰ এই অতৰ্কিত আক্ৰমণত ৭০০ৰো অধিক লোক নিহত হোৱাৰ লগতে দুহেজাৰৰো অধিক লোক আহত হৈছে। উগ্ৰপন্থী গোটটোৱে দেশখনৰ বহুসংখ্যক লোকক গাজাত আৱদ্ধ কৰি ৰাখিছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰসংঘৰ ইজৰাইলৰ ৰাষ্ট্ৰদূতে কালি যুদ্ধ অপৰাধৰ বাবে পেলেষ্টাইনী গোট হামাছক দোষাৰোপ কৰে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত এই সংঘৰ্ষ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আয়োজিত এখন বৈঠকত ৰাষ্ট্ৰদূতগৰাকীয়ে এয়া হামাছৰ সন্ত্ৰাসবাদৰ আন্তঃগাঁথনি নিৰ্মূল কৰাৰ সময় বুলি উল্লেখ কৰে। হামাছ উগ্ৰপন্থীয়ে পেলেষ্টাইনৰ গাজাৰ পৰা ইজৰাইলত প্ৰৱেশ কৰি ৭০০তকৈও অধিক ইজৰাইলী লোকক হত্যা কৰে। ১৯৭৩ চনৰ যুদ্ধৰ পাছত এই দিনটো ইজৰাইলৰ বাবে আটাইতকৈ ঘাতক হিচাপে পৰিগণিত হৈছে। নিউইয়ৰ্কত কালি অনুষ্ঠিত ১৫ জনীয়া নিৰাপত্তা পৰিষদৰ সদস্যৰ ৰুদ্ধদ্বাৰ বৈঠকৰ পূৰ্বে ৰাষ্ট্ৰসংঘৰ ইজৰাইলৰ ৰাষ্ট্ৰদূত গিলাদ ইৰদানে কয় যে, এয়া ভয়ানক যুদ্ধ অপৰাধ। ইপিনে ইজৰাইলে কালি গাজা চহৰত কৰা প্ৰত্যাক্ৰমণত কেইবাশ লোক নিহত হয়। ৰাষ্ট্ৰদূতগৰাকীয়ে ইজৰাইলৰ প্ৰতি আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সমৰ্থন বিচৰাৰ লগতে হামাছক গৰিহণা দিবলৈ অনুৰোধ জনায়। ২০ লাখ লোক বাস কৰা গাজা ষ্ট্ৰীপ ২০০৭ চনৰ পৰা হামাছৰ দখলত আছে। ইজিপ্তৰ সহায়ত ইজৰাইলে আৰোপ কৰা নিষেধাজ্ঞাৰ বাবে গাজাৰ অৰ্থনীতি বহুদিন ধৰি বাধাগ্ৰস্ত হৈ আছে। এই বৈঠক প্ৰায় ৯০ মিনিটৰ বাবে অনুষ্ঠিত হয়। ৰাষ্ট্ৰসংঘৰ মধ্য প্ৰাচ্যৰ শান্তিদূত টৰ ৱেনৰেলণ্ডে এই বিষয়ে চমু ব্যাখ্যা কৰে। কূটনীতিবিদসকলে কয় যে ৰাষ্ট্ৰসংঘই সকলো পক্ষৰ সন্মতি থকা ধৰণৰ বিবৃতি জাৰি কৰাৰ সম্ভাৱনা কম। ৰাষ্ট্ৰসংঘৰ আমেৰিকাৰ উপ-ৰাষ্ট্ৰদূত ৰ'বাৰ্ট উডে কয় যে, এই মুহূৰ্তত এয়া ৱাশ্বিংটনৰ বাবে অগ্ৰাধিকাৰৰ বিষয় নহয়। ৰাষ্ট্ৰসংঘৰ সংযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত লানা নুছেইবেহে কয় যে পৰিষদে আন্তঃৰাষ্ট্ৰীয় মানৱীয় আইনৰ প্ৰয়োগ তথা অসামৰিক লোকসকলৰ সুৰক্ষা সন্দৰ্ভতো আলোচনা কৰে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজিৰে পৰা অহা ১২ অক্টোবৰ পৰ্যন্ত ইটালী আৰু ফ্ৰান্স ভ্ৰমণ কৰিব। দুখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত মন্ত্ৰীগৰাকীয়ে ৰোমত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গুইড' ক্ৰিছেট' সাক্ষাৎ কৰাৰ কথা আছে। উল্লেখযোগ্য যে ইটালীৰ প্ৰধানমন্ত্ৰীয়ে চলিত বৰ্ষৰ মাৰ্চত কৰা ভাৰত ভ্ৰমণৰ সময়ত ভাৰত আৰু ইটালীৰ মাজৰ সম্পৰ্কক কৌশলগত সম্পৰ্কলৈ উন্নীত কৰিছিল। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত তেওঁ ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী, সশস্ত্ৰ বাহিনীসমূহৰ মন্ত্ৰী ছেবাষ্টিয়ান লেকৰ্নুৰ সৈতে পেৰিছত পঞ্চম বাৰ্ষিক প্ৰতিৰক্ষা আলোচনাত মিলিত হ'ব। ভাৰত আৰু ফ্ৰান্সে অলপতে দেশদুখনৰ মাজৰ কৌশলগত অংশীদাৰীত্বৰ ২৫ বছৰ উদযাপন কৰিছে। দুয়োখন দেশে গুৰুত্বপূৰ্ণ ঔদ্যোগিক সহযোগিতাকে ধৰি দ্বিপাক্ষিক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী সম্পৰ্ক অটুত ৰাখিছে। ৰোম আৰু পেৰিছত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা উদ্যোগৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ লগতে জ্যেষ্ঠ প্ৰতিনিধিসকলৰ সৈতে ঔদ্যোগিক সহযোগিতাৰ সম্ভাব্য সুযোগ সন্দৰ্ভত মত বিনিময় কৰিব।

ooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি তাঞ্জানিয়াৰ ৰাষ্ট্ৰপতি ছামিয়া ছুলুহু হাছানৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। তেওঁ জি-টুৱেণ্টিত আফ্ৰিকীয় সংঘক স্থায়ী সদস্য ৰাষ্ট্ৰ হিচাপে অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পদক্ষেপক শলাগ লোৱাৰ বাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰে। জি-টুৱেণ্টি শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ উদ্বোধনী ভাষণত আফ্ৰিকীয় সংঘৰ অধ্যক্ষ আজালি আছৌমানিক জি-টুৱেণ্টি নেতাসকলৰ মাজত এখন স্থায়ী সদস্য ৰাষ্ট্ৰ হিচাপে আসন গ্ৰহণ কৰাৰ আমন্ত্ৰণ জনাইছিল। ইয়াৰ পূৰ্বে কালি তাঞ্জনিয়াৰ ৰাষ্ট্ৰপতি ছামিয়া ছুলুহু হাছান ভাৰত ভ্ৰমণৰ উদ্দেশ্যে দিল্লীত উপস্থিত হয়। কেন্দ্ৰীয় শিক্ষা ৰাজ্যমন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে নতুন দিল্লীত অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। নতুন দিল্লী বিমান বন্দৰত পৰম্পৰাগত লোকনৃত্য প্ৰদৰ্শনেৰে তেওঁক আদৰণি জনোৱা হয়। বিদেশ মন্ত্ৰালয়ৰ চৰকাৰী মুখপাত্ৰ অৰিন্দম বাগ্ছীয়ে কয় যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত ছামিয়া ছুলুহু হাছানৰ এয়া প্ৰথমটো ভাৰত ভ্ৰমণ।

ooooo

উত্তৰাখণ্ডৰ নাইনিতাল জিলাৰ কালাধুংগি পথৰ সমীপত কালি নিশা ৩১জন যাত্ৰী কঢ়িয়াই নিয়া এখন বাছ এটা দ' খাৱৈত বাগৰি পৰাৰ ঘটনাত ৭ জন লোক নিহত হোৱাৰ লগতে আন ২২ জন আহত হৈছে। এই ঘটনাত হতাহত আটাইকেইগৰাকী লোক হাৰিয়ানাৰ হিছাৰ জিলাৰ বিদ্যালয়ৰ শিক্ষক আছিল আৰু তেওঁলোক নাইনিতালৰ পৰা উভতি গৈ আছিল। ঘটনাৰ পাছত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল আৰু অন্যান্য উদ্ধাৰকাৰী গোট তথা স্থানীয় আৰক্ষীয়ে ২৫ গৰাকী লোকক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। আহত লোকসকলক হাল্দৱানি সুশীলা তিৱাৰী হাস্পটাললৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হৈছে।

ooooo

আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত ডেংগু জ্বৰ - কাৰণ, লক্ষণ আৰু প্ৰতিৰোধৰ ব্যৱস্থা সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ব। অনুষ্ঠানত নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান - এইমছৰ মেডিচিন বিভাগৰ বিশিষ্ট চিকিৎসক ড০ পিয়ুষ ৰঞ্জন উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ডেংগু ৰোগৰ সংক্ৰমণ, ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা, চিকিৎসা পদ্ধতি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ০১১-২৩৭১-৭১০৬ আৰু ০১১-২৩৩১-৪৪৪৪ এই নম্বৰত ডায়েল কৰি অনুষ্ঠানত ভাগ ল'ব পাৰিব। ৯২৮৯০-৯৪০৪৪ এই ৱাটছ্এপ নম্বৰতো শ্ৰোতাসকলে নিজৰ

প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহতো এই অনুষ্ঠান পোনপটীয়াকৈ শুনিব পৰা যাব। আনহাতে আমাৰ ৱেবছাইট newsonair.gov.in আৰু youtube চেনেল newsonair official তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০

লাডাখ স্বায়ত্ত শাসিত পাৰ্বত্য উন্নয়ন পৰিষদ কাৰ্গিল নিৰ্বাচনত নেচনেল কংগ্ৰেছ আৰু কংগ্ৰেছৰ মিত্ৰজোঁটে একক সংখ্যা গৰিষ্ঠতাৰে পঞ্চম সাধাৰণ নিৰ্বাচনত জয়ী হৈছে। এই নিৰ্বাচনত নেচনেল কংগ্ৰেছে ১২ খন আসনত জয়লাভ কৰি একমাত্ৰ সৰ্ববৃহৎ দল হিচাপে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে কংগ্ৰেছে ১০ খন আসনহ লাভ কৰে। আনহাতে, বিজেপিয়ে দুখন আৰু নিৰ্দলীয়ই আন দুখন আসনত জয়লাভ কৰিবলৈ সমৰ্থ হয়। পঞ্চম লাডাখ স্বায়ত্ত শাসিত পাৰ্বত্য উন্নয়ন পৰিষদ - কাৰ্গিল নিৰ্বাচন যোৱা ৪ অক্টোবৰত অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত নেচনেল কংগ্ৰেছ, কংগ্ৰেছ আৰু বিজেপিৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হৈছিল। কালি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ভোট গণনা অনুষ্ঠিত হয়। এইবাৰ কাৰ্গিল জিলাত ৬৫ শতাংশ লোকে ভোটদান কৰে।

০০০০০

আই চি চি পুৰুষ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৬ উইকেটত পৰাজিত কৰে। খেলখনত অষ্ট্ৰেলিয়াক নিৰ্ধাৰণ কৰি দিয়া ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ৪১ অভাৰ আৰু দুটা বলত বিজয় সাব্যস্ত কৰে। চতুৰ্থ উইকেটত বিৰাট কোহলী আৰু কে এল ৰাহুল যুটীয়ে কৰা ১৬৫ ৰানৰ বৰঙণিয়ে ভাৰতৰ ইনিংছত নিৰ্ণায়ক ভূমিকা পালন কৰিছে। বিৰাট কোহলীয়ে ৮৫ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৯৭ ৰান কৰি অপৰাজিত হৈ থাকে।

অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৪৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবিন্দ্ৰ জাদেজাই তিনিটা উইকেট দখল কৰে।

০০০০০

**সমাপ্ত**